## Telephone conversation between Prime Minister and State Counsellor of Myanmar Daw Aung San Suu Kyi

April 30, 2020

---

## ম্যানমাৰৰ ষ্টেট কাউন্সিলাৰ ডাও আং ছান ছু কি আৰু প্ৰধানমন্ত্ৰীৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

এপ্ৰিল 30, 2020

30 এপ্ৰিল 2020 তাৰিখে প্ৰধানমন্ত্ৰীৰ শ্ৰী নৰেন্দ্ৰ মোডীয়ে ম্যানমাৰৰ ষ্টেট কাউন্সিলাৰ ডাও আং ছান ছু কিৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰে।

দুয়োগৰাকী নেতাই কভিড-19-ৰ ফলত দেশীয় আৰু আঞ্চলিক প্ৰেক্ষাপটত উদ্ভৱ হোৱা পৰিস্থিতিৰ বিষয়ে আলোচনা কৰে আৰু লগতে এই মহামাৰীৰ সংক্ৰমণ ৰোধ কৰাৰ ক্ষেত্ৰত পৰস্পৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে মত বিনিময় কৰে।

ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিৰ মূল ভিত্তিৰ কথা উল্লেখ কৰি ম্যানমাৰক এক গুৰুত্বপূৰ্ণ স্তম্ভ বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰী মোডীয়ে ম্যানমাৰক কভিড-19 নিয়ন্ত্ৰণ কৰিবলৈ ভাৰতৰ তৰফৰ পৰা যথাসম্ভৱ সাহাৰ্য প্ৰদান কৰা হব বুলি উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীয়ে ভাৰতত থকা ম্যানমাৰৰ নাগৰিকসকলক ভাৰত চৰকাৰৰ দ্বাৰা সাম্ভাব্য সকলোধৰণৰ সহায় আগবঢ়োৱা হব বুলি আশ্বস দিয়ে আৰু ম্যানমাৰত থকা ভাৰতীয় নাগৰিকসকলৰ প্ৰতি আগবঢ়োৱা সাহাৰ্যৰ বাবে ষ্টেট কাউন্সিলৰ কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। দুয়োগৰাকী নেতাই বিগত দিনত যোগাযোগ বজাই ৰখাৰ বিষয়ে সন্মত হয় আৰু কভিড-19ৰ ফলত উদ্ভৱ হোৱা বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰত্যাহ্বানসমূহৰ সৈতে একলগ হৈ সমাধান কৰিব বুলি সহমত পোষণ কৰে।

**নতুন দিল্লী**
**এপ্ৰিল 30, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.